
ভারত

# ভাৰত বিকাশ

( পণ্ডিত জৱহৰলালৰ জীৱনী )

SOUL

Jawaharlal Nehru College Library
No:
Date
Boko, Kamrup.

হেমেশ্বৰ দাস

পৰিবেশক
অথৰ্চ বুক ষ্টল
যোৰহাট : অসম

Bharat Bikash, Life of Pandit Jawahar Lall Neharu written in Assamese By Sree Hemeswar Das. Price Rs. 6·50.

প্ৰথম প্ৰকাশ—১৯৬৮

সৰ্ব্বস্বত্ব সংৰক্ষিত

প্ৰচ্ছদপট—মহেন্দ্ৰ দাস।

প্ৰকাশক—
মিচেচ্ এইচ্ দাস
নগাঁও।

দাম—৬·৫০ প.

প্ৰধান পৰিবেশক
অথৰ্চ বুক ষ্টল
যোৰহাট।

প্ৰিণ্টাৰ—
শ্ৰীতীৰ্থনাথ পাল
নিউ শ্ৰীদুৰ্গা প্ৰেছ
২।১ বিধান সৰণী
কলিকতা-

# ভাৰত বিকাশ

## আহম্মদ নগৰ জেইল

আমাক আহমদ নগৰ জেইললৈ অনা প্ৰায় ২০ ( কুড়ি ) মাহ পাৰ হৈ গল। মোক এইয়া নবম বাৰৰ কাৰণে জেইললৈ আনিছে।

নতুন জোন গভীৰ অন্ধকাৰ ভেদি নিলিমাত ভাঁহি উঠিল। নতুন জোনে আমাক ইয়ালৈ অনাৰ লগে লগেই আদৰ সম্ভাষণ জনাইছে। লাহে লাহে পযেকটোক উজ্জ্বল কৰি জোনৰ পোহৰ জিকমিকাই উঠিল। এনেকৈ আকাশত জোনে যেতিয়াই ৰূপালী কিৰণ ঢালি চঁউদিশ ৰূপেৰে প্লাবিত কৰে তেতিয়াই জেইলত যে মোৰ এমাহ পাৰ হৈ গল এই কথা মানস পটত ভাঁহি উঠে। থিক্ দেৱালী হৈ যোৱাৰ লগে লগেই মোৰ জেইলত একেবাৰেই শেষৰ মাহ আহি পৰিল। জোনেই মোৰ জেইলৰ সহচৰ। তাই অন্ধকাৰত মোক পোহৰ দিছিল। সৌন্দৰ্য্যেৰে ভৰপূৰ কৰি তুলিছিল তাই এই পৃথিবীক। আৰু সৌন্দৰ্য্যৰ মৃত্যুয়েই যে জীৱনৰ অৱসান সেই কথা সোঁৱৰাই দিছিল। যদিও তাই চিৰ পৰিবৰ্ত্তনশীল তথাপি মই তাইক একেই দেখিছিলো। সন্ধিয়াৰ পৰা গহীন দূপৰ নিশালৈকে আৰু আনকি কেতিয়াবা উষাৰ আগমন হোৱালৈকে মই তাইক লক্ষ্য কৰো! প্ৰতিমূহুৰ্ত্ততে তাই পৰিবৰ্ত্তন হৈ গৈয়েই আছে

দিন মাহ গণনা আ· নিৰূপণ কৰাত জোনে বহু সহায় কৰে। জোন অতি সহজ কেলেন্দাৰ। কৃষক সকলে জোনক লৈয়েই দিন ক্ষণ গণনা কৰি খেতি পথাৰৰ কামত হাত দিয়ে। ঋতুবো পৰিবৰ্ত্তণ কাল জোনক লৈয়েই ঠাৱৰ কৰে।

তিনি সপ্তাহ কাল আমি পৃথিবীত ঘটা ঘটনাৰ বিষয়ে একো সম্ভেদ নাপাও। মানুহৰ লগত আমাৰ যোগাযোগ চিঠি পত্ৰৰ আদান প্ৰদান একেবাৰেই বন্ধ। বাতৰি কাকত আৰু ৰেডিঅ ও বন্ধ। আনকি আমাক আহ্‌মদ নগৰ জেইললৈ বদলি কৰি অনাৰ কথাও অফিচাৰৰ বাহিৰে জনসাধাৰণৰ পৰা গোপনে ৰাখিছিল। এই কুড়ি মাহে আমাক আন কাৰো লগত দেখা সাক্ষাৎ কৰিব নিদিলে। বাচি বাচি বাতৰি কাকত পঢ়িব দিলে। ইয়াৰ পৰাই আনি ধাৰণা কৰিছিলো যে যুদ্ধই পৃথিবীৰ প্ৰায় আধা অংশ বিয়পি পৰিল। ভাৰতৰ ওপৰতো যুদ্ধৰ প্ৰতিক্ৰিয়া আহি পৰিল। আমাৰ ভাৰতৰ হাজাৰ জনগণ কাৰাৰুদ্ধ। বন্ধুকৰ গুলিত হাজাৰ হাজাৰ জন ভাৰতীয় মৃত্যুৰ মুখত পৰিল। হাজাৰ হাজাৰ জন স্কুলৰ ছাত্ৰ ছাত্ৰী বহিঃস্কৃত হল। ইয়াৰ বাহিৰে ভাৰতবাসীয়ে এই যুদ্ধত কি ভূমিকা গ্ৰহণ কৰিছিল তাৰ বিষয়ে আমি একো গম নাপাওঁ। মিলিটেৰী আইন গোটেই ভাৰতত বাহাল হৈ ৰ'ল। সেই নিষ্ঠুৰ মিলিটেৰী শাসনে ভাৰতীয় মানুহৰ মনত ভয় ও শঙ্কাৰ গুটি সিচিলে। ফাটেকৰ অস্বাস্থ্যকৰ খাদ্য খায় আমি দুৰ্ব্বল হৈ পৰিলো। আমাৰ লগৰ বহু লোকেই আনকি প্ৰাণো হেৰুৱালে।

ইটালীৰ বহুত যুদ্ধবন্দী ভাৰতত ৰাখিছিল। তেওঁলোকৰ আৰু আমাৰ মানুহৰ মাজৰ ব্যৱহাৰৰ ব্যৱধান সমূহ বিজাই চাইছিলো। তেওঁলোকে আমাক জানিব দিছিল যে জেনেভাৰ কন্‌ভেনশনৰ নিয়ম অনুযায়ী তেওঁলোকে জেইলত সকলো সা সুবিধা গ্ৰহণ কৰিছে। আমাৰ ভাৰতত কিন্তু তেনে কোনো জেইলৰ নিয়ম কানুন নাই যাৰ দ্বাৰা আমি পৰিচালিত হয়। ইংৰাজ শাসন কৰ্ত্তাৰ ইচ্ছা অনুযায়ীয়েই আমাৰ জেইলৰ নিয়ম কানুন পৰিচালিত হয়।

# আকাল

আকালে দানৱৰূপে মূৰ দাঙ্গি উঠিল! খোৱা বস্তুৰ অভাৱত মালৱাৰ, বীজাপুৰ, উৰিষ্যা আৰু বেঙ্গলত হাজাৰ হাজাৰ লৰা-ছোৱালী মতা-তিৰোতা মৃত্যুৰ মুখত পৰিল। মানুহৰ মৰাশ গীৰ্জ্জাৰ সম্মুখত, কলিকতাৰ বাট পথত, সৰু সৰু জুপুৰি ঘৰৰ ভিতৰত আৰু গাৱঁৰ পথাৰত সিচৰিত হৈ পৰি ৰ'ল।

যুদ্ধত মানুহ মৰিছিল। সেই মৰণ আছিল সাহসিকতাৰ। মহৎ কামৰ বাবে, জনমভূমিৰ কাৰণে। কিন্তু আকালে যি মৃত্যু আনিলে সেই মৃত্যু শাসনকৰ্ত্তাৰ শিঠিলতাৰ কাৰণেহে। ভোকত কল্‌মলাই কোটৰ গ্ৰস্থ চকুৰে অনাটনৰ মৃত্যুৰ কবলত পৰিও জীয়াই থাকিবলৈ আশা কৰিছিল। আকালে যেতিয়া আন আন প্ৰদেশ গ্ৰাস কৰি আহি আহি বঙ্গদেশ পালেহি তেতিয়া শাসনকৰ্ত্তা সকলে আমাক জনাইছিল যে যুদ্ধ-সামগ্ৰিৰ প্ৰচুৰতাৰ কাৰণে খোৱা বস্তুৰ আমদানীৰ শিঠিলতা আহি পৰিছে। খোৱা বস্তু যথেষ্ট আছে। তাৰ পাচতেই আকৌ জনালে যে ভাৰতীয় মানুহক অৰ্দ্ধ শাসনভাৰ দিয়াৰ কাৰণেহে শাসনৰ বিশৃঙ্খলাত খোৱা বস্তুৰ অভাৱ হৈছে। সেই কাৰণে ইংলণ্ডৰ বৃটীশ চৰকাৰে আৰু ভাৰতৰ বৃটীশ শাসনকৰ্ত্তা সকলে একো হস্তক্ষেপ কৰিব নোৱাৰে।

ভাৰতৰ শাসনতন্ত্ৰ ভাইচৰয়ৰ ইচ্ছানুযায়ী চলিল আৰু ঘণ্টাই ঘণ্টাই নিৰ্দ্দেশ আৰু চাৰ্কুলাৰ জাহিৰ হল। "ভাইচৰয়" ভাৰতত কাৰো ওচৰত ভলতীয়া নহৈ একছত্ৰী অধিনায়কৰূপে অসীম ক্ষমতাৰে শাসসতন্ত্ৰৰ গৰাকী হল। আই, চি, এচ্‌ অফিচাৰ আৰু পুলিশ বিভাগে পোনপটীয়াকৈ গবৰ্ণৰৰ অধীনত থাকি দৰকাৰ হলে মন্ত্ৰীকো অৱজ্ঞা কৰি যেই কোনো কামতেই হস্তক্ষেপ কৰিবলৈ পাচ নোহোহকিছিল।

এই আকালে কিমান লক্ষ্য লক্ষ্য মানুহৰ প্ৰাণ ললে কিমান লৰা-ছোৱালীক নৰকঙ্কাল কৰি বাজঁধাড় ভা[illegible] [illegible]লে তাৰ

কোনো হিচাব নাই। প্ৰেসিডেণ্ট ৰুজভেল্ট আৰু বৃটীশ চৰকাৰে এই আকাললৈ কোনো ভ্ৰূক্ষেপ নকৰিলে। আকালে অগণন ভাৰতবাসীৰ প্ৰাণ নাশ কৰিলে। অৱশেষত চিন্তাশীল আৰু দয়ালু কিছুমান আমেৰিকান আৰু ইংৰাজ আমাৰ প্ৰতি মৰমিয়াল আৰু সহানুভূতিশীল হৈ সহায়ৰ কাৰণে আগবাঢ়ি আহিল। ইয়াৰ ওপৰিও আকালৰ কৰালগ্ৰাসৰ ভুক্তভোগী চীন ও আইৰিচ সৰকাৰে আমাৰ দুৰাৱস্থাত সহানুভূতিশীল হৈ আমাক পাৰ্য্যমানে সহায় কৰিবলৈ আগবাঢ়ি আহিল। ভাৰতে কেতিয়াও তেওঁলোকৰ উপকাৰ নাপাহৰে।

## বিশ্ব যুদ্ধৰ বিভিষিকা

এচিয়া, ইউৰূপ, আফ্ৰিকা মহাদেশ আৰু প্ৰশান্ত আটলাণ্টিক, ভাৰত মহাসাগৰৰ বহু অঞ্চল ব্যাপি যুদ্ধৰ মহা বিভিষিকা বিয়পি পৰিল। সাত বছৰ ধৰি চীনত গৃহ যুদ্ধ চলিছিল। ইউৰূপ আৰু আফ্ৰিকাত চাৰে চাৰি বছৰ আৰু পৃথিৱীৰ মহাসমৰ চলিছিল "ফেচিজিন" আৰু নাচীজিমৰ বিৰুদ্ধে। এই যুদ্ধ চলি থাকোঁতে তিনি বছৰ কাল মোৰ জেইলত পাৰ হৈ গল।

মোৰ মনত আছে সেই সময়ত মোৰ মনত উদ্ভৱ হোৱা নাচীজিম্ আৰু ফেচিজিমৰ কথা। জাপানে চীনৰ ওপৰত কৰা আক্ৰমণে ভাৰতক কেনে গভীৰভাবে আকৃষ্ট কৰিছিল আৰু কেনেভাবে চীনৰ লগত আগৰ বন্ধুত্বত বান্ধ খোৱাইছিল? ইটালীয়ে আবিসিনিয়াৰ ওপৰত কৰা অত্যাচাৰে আমাক দুঃখিত কৰিছিল। জেকস্লোভেকীয়াৰ প্ৰতাৰণাই আমাক গভীৰভাৱে তিতা লগাইছিল। স্পেইনৰ প্ৰজাতন্ত্ৰৰ পতনে আমাৰ মনত দুখৰ কালিমা সানিছিল।

ফেচিজিম্ আৰু নাচীজিমৰ দেখাদেখি অমানুসিক আৰু অন্যায় আসুৰিক আক্ৰমণ আমি ভৰা ও মানি চলা আইন কানুন নীতি নিয়ম শাসনতন্ত্ৰৰ একেবাৰেই পৰিপন্থী আছিল। সেই কাৰণে আমি ফেচিজিম আৰু নাচীজিমৰ বিৰুদ্ধে থিয় দিলো! চিনৰ মুসলনীয়ে

১৯৩৬ চনৰ আগভাগতেই মোক নিমন্ত্ৰণ কৰিছিল। সেই নিমন্ত্ৰণ মই প্ৰত্যাখ্যান কৰিলো। ইয়াৰ দুবছৰৰ পাচত গ্ৰীষ্মকালৰ মনচুনৰ আগয়েই জাৰ্ম্মাণিৰ নাজী চৰকাৰে সকলো পন্থা নিজ চকুৰে চাবৰ কাৰণে মোক পুনৰ আহ্বান জনালে। নিজ ইচ্ছামতে তালৈ যোৱাৰ স্বাধীনতা মোৰ আছিল। কিন্তু এইবাৰো মই ধন্যবাদ জনাই তেওঁলোকৰ নিমন্ত্ৰণ প্ৰত্যাখ্যান কৰিলো। তাৰ পৰিবৰ্ত্তে মই জেকশ্লোভেকীয়ালৈহে গলো। মিউনিক পোৱাৰ আগেয়ে বৃটীশ মন্ত্ৰী সভাৰ কেইজনমান সভ্য আৰু ইংলণ্ডৰ বিখ্যাত ৰাজনৈতিক জনছেৰেক মই লগ পাইছিলো। তেওঁলোকৰ আগত মোৰ নাজীবাদ আৰু ফেচিচবাদৰ অভিমত প্ৰকাশ কৰো। মোৰ মতবাদক তেওঁলোকে গ্ৰাহ্য নকৰি কৈছিল "এই বিলাক ৰাজনীতিত বহুকথা সোমাই আছে এই বিলাক ভালদৰে বিবেচনা কৰা দৰ্কাৰ।"

জেকশ্লোভেকীয়াৰ সঙ্কটৰ সময়ত ফ্ৰান্স আৰু বৃটেইনৰ মাজত "প্ৰোগ" সুডেটলেণ্ড, লণ্ডন, পেৰিচ আৰু জেনেভাত লীগ সভা বহি থকা অৱস্থাত হোৱা ৰাজনীতি কৌশলে মোক বিৰক্তি কৰি তুলিলে। এওঁলোকে "হীটলাৰক" ভয় কৰিছিল। আৰু তেওঁৰ কাৰ্য্যকলাপ প্ৰশংসাও কৰিছিল।

ই এক ভাগ্যৰেই চক্ৰ যে সেই যুদ্ধৰ সময়ত মোৰ নিচিনা ফেচিজিম আৰু নাজীজিমৰ বিৰুদ্ধে থকা লোকসকল কাৰাৰুদ্ধ। যি সকলে হীটলাৰ আৰু মুসলীনীক সমৰ্থন কৰিছিল যি সকলে চীনৰ ওপৰত জাপানৰ আক্ৰমণ ন্যায় বুলি বিবেচনা কৰিছিল তেওঁলোক তেতিয়া হয়তো অসীম ক্ষমতাত অধিষ্ঠিত আছিল।

ভাৰতত যি পৰিবৰ্ত্তন হল ই সঁচাকৈয়েই প্ৰসংশনীয়। যি সকলে এসময়ত হীটলাৰ আৰু মুসলনীক শীৰ্ষস্থান দিছিল আৰু কচীয়াক হেয়ৰ চকুৰে চাইছিল সেই সকল হয়তো কিছুমান উচ্চ পদস্থ বিষয়াই এতিয়া নাজীজিম আৰু ফেচিজিমক ঘৃণাৰ চকুৰে চাই।

যুদ্ধৰ বহু বছৰৰ আগৰ পৰাই মই আগন্তুক যুদ্ধৰ কথাকেই ভাবি

বিয়াকুল হৈছিলো। মই এই যুদ্ধৰ বিষয়ে কৈছিলো, লিখিছিলো আৰু মনে মনে নিজকে নিজে তৈয়াৰ কৰিছিলো। মই ইচ্ছা কৰিছিলো যে এই যুদ্ধৰ কাৰণে ভাৰত সাজু হওক। ইয়াৰ অবিহনে ভাৰতৰ উচ্চ আদৰ্শ বিপদাপন্ন হব বুলি মই অনুমান কৰিছিলো। এই যুদ্ধৰ পাচতেই ভাৰত তথা গোটেই পৃথিবীৰ ভিতৰত এটা অমূল পৰিবৰ্ত্তন আহিব। সেই সময়ত ভাৰতৰ ওপৰত বিপদৰ শিঙা বাজিব বুলি মই ভবা নাছিলো। মই ভাবিছিলো ভৰেতে স্বাধীনচিতীয়া ৰাজ্য হিচাবে এই যুদ্ধত সম্পূৰ্ণ অংশ গ্ৰহণ কৰক বুলি। এনে ভাবতেই জাতীয় কংগ্ৰেছেও অনুমোদন জনাইছিল। ভাৰতৰ জাতীয় কংগ্ৰেছ সম্পূৰ্ণ নাজী আৰু ফেচিছ বিৰুদ্ধি। স্পেইন জেকশ্লোভেকীয়া আৰু চীনৰ গণতন্ত্ৰৰ সপক্ষে ভাৰতৰ জাতীয় কংগ্ৰেছ থিয় দিছিল।

দুবছৰলৈকে বৃটীশে ভাৰতৰ এই জাতীয় কংগ্ৰেছক অনুমোদন দিয়া নাছিল। বৃটীশ চৰকাৰে ইয়াক পুলিয়ে পোক্কাই নিৰ্ম্মূল কৰিবলৈহে যত্ন কৰিছিল। কংগ্ৰেছ কৰ্ম্মী সভা, মন্ত্ৰী, সভাপতি চেক্ৰেটৰী আদিক কাটেকত বন্দী কৰিলে। বিশ্বযুদ্ধইও ইতিমধ্যে গণতন্ত্ৰৰ ভেটীত থিয় দি আটলাণ্টিক সৰ্ত্ত চাৰিটাক মানি ললে—।

## কাটেকৰ সময় আৰু কৰ্ত্তব্য পথৰ আহ্বান

কাৰাগাৰ সময়চোৱাই বেলেগ মুৰ্ত্তি ধাৰণ কৰিলে। বৰ্ত্তমান অতীতৰ পৰা পৃথক হৈ ওলাই আহিল। কৰ্ত্তব্যৰত পৃথিবীৰ হাওৱাৰতাহ জীৱন আৰু মৰণৰ কবলত পৰি সপোন হৈ পৰিল। বাহ্যিকতা লোপ কৰি কৰ্ত্তব্যজ্ঞানে অন্তৰভেদি উদগাৰণ দিলে। মৰা মানুহৰ জীৱনৰ দৰে অতীতৰ মেৰপাকত কাৰাগাৰত বন্দী হৈ আমি আমাৰ চিন্তাৰ টুলুপাক খুলি ভূত আৰু ভবিষ্যতক সাৱতি আমাৰ চিন্তাশীল মনৰ পৰিবৰ্ত্তন আনিছো।

যুগ যুগান্তৰ অপৰিবৰ্ত্তনীয় অতীতৰ গভীৰতাক আৰু চিৰস্থায়ীতাক

ময়ই অনুভব কৰিলো। ই আকৰ্ষণীয় ৰংচৰুৱা মাৰ্ব্বল পাথৰ। চলিত অৱস্থাৰ ধুমুহা বতাহ আৰু বামাৰলিও আমাৰ মনৰ গতি পৰিবৰ্ত্তন কৰিব নোৱাৰিলে। শত বাধা বিঘিনিকো আওকান কৰি অভাগৰুৱা উদ্‌ভ্ৰান্ত মনত শান্তি আৰু সুখ বিচাৰি আগবাঢ়ি গলো।

জীৱনটোত যদি ঘাটপ্ৰতিঘাটেই নাথাকে তেন্তে সেইটো জীৱনেই হব নোৱাৰে। জীৱনটো হৈছে এটা কলা। ই কলাকাৰৰূপে বিৰাজিত। আশা আৰু আকাঙ্খাৰ প্ৰেৰণাই হৈছে জীৱনৰ অঙ্গ। ইয়াৰ অবিহনে জীৱনৰ গতি মৰহি শুকাই যায়।

অতীত আমাৰ লগে লগেই আহি আছে। ইয়াৰ বুকুতেই আমাৰ জন্ম আৰু ইয়াৰ মাজতেই আমি ডুবি যাম। এই অতীতৰ বুকুতেই জন্ম হৈছে গভীৰ কৰমৰ নিজৰা। দাৰ্শনিক সকলে সেই অতীতকেই সুঁৱৰি গুমৰি গুমৰি ভাবৰ তৰঙ্গত ওপঙি ফুৰে। জাতীয় জীৱনৰ অতীত কাহিনীয়ে আৰু জন্মস্বৰৰ পাৰিপাৰ্শিকতাৰ শিকনিয়ে লৰালি কালৰ সপোন বিলাকক ভবিষতে জীৱন্ত ৰূপ দিবলৈ ভীষণভাৱে যত্ন কৰে।

বৰ্ত্তমাণৰ বিষয়ে অৰবিন্দ ঘোষে লিখিছিল :—

"বৰ্ত্তমান অতি বিশুদ্ধ আৰু পবিত্ৰ মূহুৰ্ত্ত। ই খুৰৰ ধাৰৰ আগভাগ, যি ভাগে অতীত আৰু ভবিষ্যতক ভাগ কৰে। ভবিষ্যতৰ গৰ্ভৰ পৰা নিগৰি নিগৰি বাগৰি অহা বিশুদ্ধ পবিত্ৰ মূহুৰ্ত্তই আমাৰ লগত লগ লাগি অতীতলৈ বাগৰি যায়। ইয়াক আমিয়েই গঢ়ো আৰু আমিয়েই ভাঙো।

দাৰ্শনিকৰ ভাবত মানৱজাতীৰ স্বাধীনতা আছেনে নাই নাজানো। কিন্তু অতীতৰ বহুল সমস্যাই ব্যক্তিক সামৰি লয়। ভিতৰৰ অন্তৰস্পৰ্শী আহ্বান মনৰ স্বাধীন চিন্তাৰেই অনুভূতি।

কোপেনহৱাৰে কোৱাৰ দৰে এজন মানুহে যি ভাবে ভবিষ্যৰ জীৱন গঢ়িব খোজে সেইভাবে গঢ় ললৱও পাৰে কিন্তু সৰ্ব্বান্তঃকৰণ

বিশ্বাসেই কৰ্ম্ম সাধনাৰ আৰু জীৱন সমাপ্তিৰ আহিলা। মোৰ মনত তুমুল সংগ্ৰামৰ বিদ্ৰোহাগ্নি জ্বলি উঠিল।

যিবিলাক ভাবধাৰাই সাধাৰণতে কোনো কাম সমাধা কৰিব নোৱাৰে তেনে ভাবচিন্তাই মোৰ মন ভেটা দি ৰাখিব নোৱাৰে। কেতিয়াবা এনেকুৱা চিন্তাই জেইলত থাকোতে আহি মোক জুমুৰি দিছিল আৰু মই তাক কাৰ্য্যত পৰিণত কৰিবলৈ সাজু হৈছিলো। কৰ্ত্তব্যৰ আহ্বান মোৰ বহুদিনৰ লগৰীয়া। কাৰ্য্যৰ সফলতা ভাবৰ লগত ওতঃপ্ৰোতঃ ভাবে জড়িত। এই দুয়োৰ গভীৰ বন্ধনেই কামৰ কৃতকাৰ্য্যতা! অতীতত ৰচা কল্পনাই বাস্তৱতাক সোঁৱৰাই দিয়ে। এটা সময় আছিল যি সময়ত মই বৰ উদ্বেগপূৰ্ণ ভাবত আছিলো। সেই লৰালি জীৱনৰ দিন মোৰ এতিয়া বহু দূৰত। এই দূৰত্ব কেৱল সময়ৰ ব্যৱধানতেই নহয় জীৱনৰ ঘাট প্ৰতিঘাটে আনি দিয়া প্ৰকৃত প্ৰমাণ আৰু অন্তৰৰ বেথিত চিন্তাৰ তৰঙ্গগতহে।

চিন্তাৰ উৰ্ম্মিমালা, মনৰ উদ্বেগ আৰু কৰ্ত্তব্যৰ আহ্বানে মই নজনাকৈয়েই মোক কৰ্ম্মৰ পথলৈ টানি নিলে। বৰ্ত্তমানক সূক্ষ্মদৃষ্টিৰে চাবলৈ মোক শিকালে। বৰ্ত্তমান অতীতৰ পৰাই শিপাই আহি আছে। সেই কাৰণেই মই অতীতক উদঘাটন কৰিবলৈ যাত্ৰা কৰিলো। বৰ্ত্তমানে মোক কোনো সময়তেই অতীত উদঘাটনৰ চিন্তাৰ পৰা এৰি যোৱা নাই। কেতিয়াবা কোনো ক্ষেত্ৰত যদি মই অতীতক আকোৱালি লব খোজো তৎক্ষাত মোৰ মনলৈ আহে যে অতীত বৰ্ত্তমানৰেই—সামঞ্জস্য। বৰ্ত্তমানক লৈ অতীতক লৈ অতীতক আবিস্কাৰ কৰিবলৈ মই ১২ বছৰৰ আগতেই "পৃথিবীৰ বুৰঞ্জীত এভূমুকি" বুলি জীয়াৰী ইন্দিৰালৈ লিখিছিলোঁ। সহজ সৰলভাবে ১৪।১৫ বছৰীয়া ইন্দিৰালৈ লিখিছিলোঁ। ইয়াৰ মাজতেই "ভাৰত আবিস্কাৰৰ" প্ৰতিমূৰ্ত্তি জাগি উঠিছিল। আবিস্কাৰৰ আহ্বানে মনৰ গতি মোৰ আগুৰি ধৰিলে। সেই কাৰণেই মই অতীতৰ মহিলা পুৰুষসকলক বিচাৰি গলো।

জেইলত থাকোতে মোৰ হাতত যথেষ্ট সময় আছিল। খৰখেদা কৰি যেই কোনো কাম কৰিবৰ দৰকাৰ নাই। সেইকাৰণেই অতীত আৰু বৰ্ত্তমানক লৈ তেজ মঙহেৰে সঞ্জিৱীত কৰিবলৈ চিন্তা তৰঙ্গত মই উঠি গলো। বন্ধুবান্ধৱ সকলৰ উৎসাহ উদ্দীপনা আৰু অনুৰোধেও আত্মজীৱনী লিখাত মোক সহায় কৰিলে।

১২ বছৰে বহু পৰিবৰ্ত্তন হলো বুলি মোৰ অনুমান হল। মই বৰ চিন্তাশীল হলো। বয়স আৰু জীৱনৰ সংগ্ৰামত চিন্তাৰ গতি পৰিবৰ্ত্তন হয়। জেইলত বহুদিন কটাব লগীয়া হোৱাত আৰু লাহে লাহে জীৱনৰ মুহূৰ্ত্তবিলাক পাৰহৈ যোৱাত মানসপটত চিন্তাই হেন্দোলনি তুলি বাগৰি গল। পৃথিবীত বিয়পি পৰা অন্যায় উৎপীড়নক সমূলঞ্চে নিপাত কৰি শান্তি-পাবলৈ যাতনাত মনটোৱে চট্ফটাব ধৰিলে। জনমিলে মৰিবই যে—লাগিব ই ধ্ৰুব সত্য। সেই কাৰণেই পৃথিবীত জীয়াই থকা দিন কেইটা মৃত্যুক পাহৰি আশা আকাঙ্ক্ষাৰ পুলি পোক্ষা মেলি নিয়তিৰ নাট-ঘৰত অস্থিৰ খোজৰ গৰকনি পেলাই আগবাঢ়ি যাওঁ।

৬ কি ৭ বছৰৰ আগতে এজন আমেৰিকান লিখকে মোৰ-জীৱনৰ বিষয়ে এখন ৰচনা লিখি তেওঁৰ আলোচনীত দিবলৈ অনুৰোধ কৰিছিল। তেওঁৰ কথা কেইটা মোৰ মনত বহি গ'ল! কিন্তু কাম হাতত লওতে মোৰ দেৰি হল। যিমানেই ভাবো বিষয়টো সিমানেই পাছুৱাইহে যায়। শেষত সেই ৰচনা মোৰ দ্বাৰা লিখা নহল।

গত কেইবছৰৰ ঘটনাই ভাৰত, চীন, ইউৰূপ আনকি সমগ্ৰ পৃথিবীকে ভবিষ্যতৰ অন্ধকাৰত ডুবায় দিলে। মানুহৰ মন-দোধোৰ মোধোৰত পৰি-জীৱনৰ পোন পটিয়া ৰাস্তাকো আনকি অবাস্তৱ বুলিহে ধৰি ললে।

প্ৰকৃত কৰ্ম্ম পথক দুৰ্য্যোগে আৰু সন্দেহে আগুৰি ধৰিলে। যদিও মোক সম্মুখৰ কৰ্ত্তব্য, পথৰ পৰা বিচলিত কৰিব নোৱাৰিলে তথাপি মোৰ তীক্ষ্ণ ভাবধাৰাক ভোটা কৰি পেলালে। লৰালি কালত

মই যি দৰে মন মেলি কাম কৰিছিলো এতিয়া সেইদৰে কৰিব নোৱাৰা হলোঁ। মোৰ মন ৰাজনৈতিক আচনিয়ে টানি নিলে। যদিও যোৱা কালিৰ আদৰ্শই মোৰ মনৰ আদৰ্শ তথাপি কিছু জ্যোতিৰ সালসলনি ঘটিছে। মানুহৰ প্ৰকৃতিক গঢ় দিবলৈ জন্তুৰ শাৰীৰ পৰা ওপৰত ৰাখিবলৈ যুগ যুগ ধৰি দুখ যাতনাৰ মাজেদি শিকনি দিলেও মোহ ঠগ প্ৰবঞ্চনাৰ পৰা আঁতৰাই আনিব নোৱাঁৰি ভুলে কেতিয়াবা গৌৰৱ উজ্জ্বল ভৱিষ্যতক বিনাশ কৰে।

উনৈশ শ আৰু বিশ শ শতিকাত হোৱা বিজ্ঞান সমূহৰ সহায় লৈয়েই মই মোৰ জীৱনৰ ঘটনা সমূহৰ ওচৰ চাপিছো। মোৰ ভিতৰত সজাগ হোৱা একনিষ্ঠা আৰু আত্মবিশ্বাসক ভাবি মই শান্তি পাওঁ। মানুহৰ ভিতৰত দেখা দিয়া অবাস্তৱ মনুষ্যত্বই মোক গভীৰ ভাবে ৰেখা পাত কৰিলে।

## "ধৰ্ম্ম"

হিন্দু মুছলমান বৌদ্ধ নাইবা খৃষ্টীয়ান ধৰ্ম্মই হওক কোনেও মোৰ মন আকৰ্ষণ কৰিব পৰা নাই। জীৱনৰ সমস্যা বিলাকত কিছুমান অন্ধ বিশ্বাস লগ লাগি বিজ্ঞান বিহীন পথেদি সমাধান কৰিব বিচাৰে। ধৰ্ম্মই মানব মনৰ গভীৰ তলিত অৱস্থিত হৈ গভীৰ অনুভূতিৰে অন্তৰৰ গভীৰতাক সঞ্জীৱিত কৰিছে। পৃথিবীৰ সৰহ সংখ্যক মানুহেই যি কোনো ৰূপতেই ধৰ্ম্মক বিশ্বাস কৰে। এই ধৰ্ম্মৰ বিশ্বাসেই বহু ৰূপত ছায়ে ছায়ে মহানুভৱ পুৰুষ মহিলাৰ জন্ম দিছে আৰু আনহাতে অইন ৰূপত নিষ্ঠুৰ ও নীচ ভাবাপন্ন লোকৰ জন্ম হৈছে। ধৰ্ম্মই কিছুমানৰ জীৱন মহামূল্যৱান কৰিছে আৰু কিছুমানৰ জীৱন কলুষিত কৰিছে। কিছুমাণে অমূলক অন্ধ বিশ্বাসক সাৰটি অন্ধ বিশ্বাসৰ-দাসহৈ জীৱন বাটত আগবাঢ়ি গৈ আছে।

বিশদভাৱে কব গলে ধৰ্ম্মই মানুহৰ মনে ঢুকি নোপোৱা ঘটনা প্ৰবাহকো আগুৰি আছে। আমাৰ চাৰিও ফালে আমি দেখা

নোপোৱা বিশাল ঠাই পৰি আছে। যদিও বিজ্ঞানে আজি মহা দক্ষতাৰে বহু তথ্য আবিস্কাৰ কৰিছে তথাপি এই বিশ্বব্ৰহ্মাণ্ডত ভৰি থকা অতি কম তথ্যৰহে উমান পাইছে।

বিজ্ঞানে সচৰাচৰ দেখা পোৱা পৃথিবীখনৰহে কাম কৰি আছে। জীৱন যাত্ৰাৰ ধাৰাবাহিক নিয়মসমূহক নেদেখা পৃথিবীৰ অংশবিলাকৰ শাৰীৰিক ও মানসিকভাৱে আঁকিবলৈ যত্ন কৰিছে। জীৱসমূহ আমি দেখা, অনুভব কৰা, বা কাণেৰে শুনা পৃথিবীখনতহে বসতি কৰিছে। সময়ৰ সোঁতে ৰূপান্তৰিত কৰি জীৱ স্থিতিক অদৃশ্য পৃথিবীলৈ লৈ গৈছে। বিজ্ঞানে বৰ্ত্তমান ইয়াৰ পৰিধি বহলাই কোনেও নেদেখা নুশুনা অজ্ঞাত পৃথিবীখনক চুই জীৱনৰ গূঢ়তম উদ্দেশ্য উদঘাটন কৰি মানব জীৱনৰ প্ৰকৃতৰূপ দাঙ্গি ধৰিবলৈ যত্ন কৰিছে! ধৰ্ম্মই মনোবিজ্ঞান আৰু দাৰ্শনিক তত্ত্বৰ গুপুত ৰহস্যৰ ভিতৰত ডুবি আছে। অজ্ঞাত ৰহস্যই মোৰ মন অস্থিৰ আৰু কৰ্কশ কৰি তোলে।

দৰ্শন আৰু মনোবিজ্ঞানে মনৰ গভীৰতাত প্ৰবেশ কৰি কঠোৰ চিন্তা আৰু প্ৰমাণৰ আশ্ৰয় বিচাৰে। সকলো ব্যক্তিয়েই কম বা বেছি অনুপাতে এই বিশ্বব্ৰহ্মাণ্ডৰ কথাকে ভাবে।

এশিয়া আৰু ইউৰোপৰ অতীজৰ চিন্তাধাৰায় জীৱনৰ গূঢ়তম ৰহস্যকেই প্ৰাধান্য দিছিল আৰু ইয়েই মনোবিজ্ঞান আৰু সৃষ্টিতত্ত্বৰ গুৰি ধৰিছিল। আজিৰ মানুহো ইয়াতেই বান্ধখাই আছে। সময়ে সময়ে মনত যেতিয়া বিশৃঙ্খলতা আহি পৰে তেতিয়া সৃষ্টিতত্ত্ব আৰু মনোবিজ্ঞান কল্পনাতে ভাঁহি ফুৰে। কিছুমান অমূলক সৃষ্টিতত্ত্বক আমি নভবা নিচিন্তাকৈ চলি থকা গতিতেই মানি লওঁ। আমি যি ভাবত গঢ়ি উঠিছো সেই ভাবতেই আউজি গৈ আছো। মনোবিজ্ঞানৰ মই পক্ষপাতি নহওঁ। অৰ্থাৎ অমূলক কাৰ্যকলাপে সময়ে সময়ে মোক বান্ধ খুৱায়। তেতিয়া বৰ অনুতপ্ত হওঁ আৰু যি কোনো উপায়ে ইয়াৰ হাত সাৰো।

বিশেষ ভাবে মই এই পৃথিবীৰ জীৱন গতিৰ লগত জড়িত। আত্মা বুলি কিবা বস্তু আছেনে নাই বা মৃত্যুৰ পাচত কিবা গঢ়লৈ জীয়াই

থাকিব পাৰোনে নোৱাৰোঁ মই কব নোৱাৰোঁ। যিমানেই এই প্ৰশ্নবিলক উপযোগী নহওক সিহতে মোৰ মনত অকণো ৰেখাপাত কৰিব নোৱাৰে।

প্ৰায়েই যেতিয়া মই এই পৃথিবীৰ কথা ভাবো তেতিয়া এই পৃথিবীৰ কিছুমান অদৃশ্য ৰহস্যই মোৰ মন আগুৰি ধৰে। সেই ৰহস্য উদঘাটন কৰিবলৈ মোৰ মন বিয়াকুল হয়।

সৃষ্টিৰ পাতনিত কি ৰহস্য সোমাই আছে মই নাজানো। ঈশ্বৰ বুলিও বিশ্বাস নকৰো। নতুবা দেৱতা বুলিও মই ভাৱিব নোৱাৰেঁ। মই "মনুৰ" ভাবধাৰাক শ্ৰদ্ধা কৰো। বেদান্ত দৰ্শনৰ অদ্বৈত্যবাদক মানো। কিন্তু ভিতৰত সোমাই ইয়াক বুজিবলৈ ইচ্ছা নকৰো। মই ভাবো, মনেৰে ভাবিলেই কৰ্ত্তব্য সমাধান নহয়। সৃষ্টিৰ ৰহস্যৰ কথা ভাবি থাকিলে অসীমৰ বুকুত ঠাৱৰী নোপোৱা হওঁ। বেদৰ আৰু আন আন সৃষ্টিৰ প্ৰশ্ন বিলাকে মোক ভয়হে খুৱায়। প্ৰকৃতিৰ বিভিন্ন প্ৰতিক্ৰিয়া আৰু বিশালতাই চেতনাৰ অসন্বয় ঘটায়। জীৱ জগতৰ কিছুমান পৰিস্থিতিয়ে মোক আপ্লুত কৰি তোলে। যদিও প্ৰমান স্বৰূপে বিশ্বাস কৰিবলৈ মই টান পাও। গান্ধীজীয়ে ন্যায়ৰ ওপৰত বেচিকৈ জোৰ দিছিল। আৰু সৰ্ব্বসাধাৰণৰ জীৱন ধাৰাৰ মানদণ্ড উচ্চ কৰিবলৈ যত্ন কৰিছিল।

মাৰ্ক্স আৰু লেলিনৰ প্ৰথা বিলাক পঢ়ি মই গভীৰভাবে আকৃষ্ট হৈছিলো। পৃথিবীৰ বুৰঞ্জী আৰু চলিত ঘটনা সমূহ নতুন দৃষ্টি ভঙ্গীৰে চাবলৈ শিকিলো।

আগৰে পৰা চলি অহা সমাজৰ কথাই আৰু ক্ৰমাগতভাবে সমাজে কৰা উন্নতিয়ে চলিত সময়ত প্ৰকৃতৰূপ দাঙ্গি ধৰে। অতীতে পাহৰনিৰ বুকুত কিছু তাৰ নগ্ন সপোন নোহোৱা কৰিছে। ৰুচীয়াই চকুৰ আগতে কৰা বিজ্ঞানৰ উন্নতি প্ৰকৃততে ভয়ঙ্কৰ আৰু আকৰ্ষণীয়।

ৰুচীয়াৰ কিছুকামে মোক বেজাৰো দিয়ে। ই কেৱল দলীয় ৰাজনীতি। ৰুচীয়াই কৰা মানৱ মনৰ বিকাশ সাধনত মই মুগ্ধ আৰু

নিঃসন্দেহে কব খোজোঁ যে ৰুচীয়াইহে এই পৃথিবীত উন্নত উজ্জ্বল নতুন সভ্যতাৰ ভূমিকা ৰচনা কৰিব। মই ব্যক্তিত্বই অনা অৰিহনাৰ পক্ষপাতি। সমাজৰ কিছুমান বহুমুখী সমস্যাই এই ব্যক্তিত্ব স্বাৰ্থ ক্ষুন্ন কৰে। স্বাধীনতা হৰণ কৰে।

মানুহৰ মনৰ চিন্তাধাৰা সঘনে বদলি হৈ থাকে। বয়সৰ লগে লগে ভাবৰো সালসলনি হয়। হাতেৰে চুকি নোপোৱা তথ্য বিলাকৰ সত্য উদঘাটন কৰাতো মানব মনৰ প্ৰচুৰ জ্ঞানৰ পৰিচয়।

বিশ্বব্ৰহ্মাণ্ডৰ প্ৰহেলিকা থেলি প্ৰকৃত ৰূপত সৃষ্টি চাবলৈ মানুহৰ মাজত আৰৰ পৰাই কৌতুহল জন্মি আছে। এতিয়াও চেষ্টা চলাইয়েই আছে। কোনো কোনোৱে এই চেষ্টাও অকৃতকাৰ্য্য হৈ জীৱনৰ ওপৰত বিৰাগ জন্মি সমাজাত অন্য পন্থা অৱলম্বন কৰিছে। কিছুমানে ধৰ্ম্মক নেওচা দি অন্য কামত লিপ্ত হৈছে।

এইটোও থিক যে বহু সময়ত ন্যায় আৰু বিজ্ঞানে আমি যি ভাবে বিচাৰো তাত সহায় নকৰে। অগনন পৰিপুৰক লগ লাগি একো একোটা কৰ্ম্মৰ ওপৰত প্ৰভাব বিস্তাৰ কৰে। কিন্তু কোন পৰিপুৰকে কি কি কাম সমাধা কৰিলে তাক আমি পুঙ্ক্ষানুপুঙ্ক্ষৰূপে বুজি নাপাও!

মাৰ্ক্সবাদে বৰ্ত্তমানক কি ভাবে খাপ খুৱাব পাৰি তাক লৈয়েই বিজ্ঞান পদ্ধতি অৱলম্বন কৰিছে।

লেলিনে মাক্সৰ কিছুপ্ৰথা মানি লৈ সমাজৰ বহু উন্নতি সাধন কৰিছে। ইয়াৰ মূলতেই উদ্ভৱ হল ফেচিজিম আৰু নাজীজিম।

শিল্প আৰু কৰ্ম্ম কৌশলে বিজ্ঞানৰ জোৱাৰ ভাট্টাত উঠি নতুন অৱতাৰণাৰে পৃথিৱীৰ দৃশ্যপট বদলাই নতুন পোহৰৰ সন্ধান আনিছে। সেই কাৰণে যেতিয়াই মই সমাজবাদৰ মুল কথা বিচাৰো ইয়াৰ ভিতৰত সোমাই থকা অসংখ্য বাকবিতণ্ডাক মই বাদ দিও!

ভাৰতৰ বিপক্ষদলৰ ওপৰত আস্থা মোৰ খুব কম আছে। কাৰণ তেওঁলোকে কিছুমান অমূলক চিন্তাৰে তেওঁলোকৰ নিজৰ ভিতৰতেই বাক্‌বিতণ্ডা কৰি নিজৰ শক্তি হ্ৰাস কৰিছে। এনে অমূলক চিন্তা

ভাৱনাত থাকিবলৈ আমাৰ জীৱনৰ দিন তেনেই কম! মোৰ মতে প্ৰকৃত কৰ্ম্ম পদ্ধতি ব্যক্তিগত আৰু সামাজিক ভাবে হোৱা উচিত। যাতে আমি সকলো মিলিজুলি থাকিব পাৰো সমাজৰ উন্নতি সাধিব পাৰো। এই নিয়ম বৈজ্ঞানিক উপায়ে মানি লব লাগিব। সত্যৰ ভেতিত্ত প্ৰতিস্থা হব লাগিব।

বিজ্ঞানে আজি যি ভাবে উন্নতি কৰিছে ই সঁচাকৈয়েই আকৰ্ষণীয়। মানুহ আজি মহাকাশত ঘূৰি ফুৰিছে। ই মানুহৰ মনৰ প্ৰতিক্ৰিয়া। প্ৰকৃতিক এতিয়া মানুহে তেনেই ওচৰৰ বুলি গণ্য কৰে। এই ভাবৰ উথান কেবল বিজ্ঞানৰ সাধনতহে।

বিজ্ঞানে বৈজ্ঞানিকক এক নতুন ৰাজ্যলৈ লৈ গৈছে। বিজ্ঞানৰ বলতে সকলো কামৰেই প্ৰতিক্ৰিয়া ঘটিছে। কিছুমান বৈজ্ঞানিকে নতুন পথৰ সন্ধান দিছে আৰু কিছুমানে তাৰ বিপৰীতটো চিন্তা কৰিছে। মানৱৰ উৎপত্তি কোনো কাৰণবশতঃ। মানুহে কৰা উৎপাদনৰ কোনো শেষ নাই। আশা ভয় মৰম আৰু বিশ্বাসৰ পৰমানবিক কনিকা সংগ্ৰহীত কৰি ঘটনাক্ৰমে মানুহৰ উৎপত্তি। অলপতে আবিষ্কৃত হোৱা শৰীৰৰ কিছুমান মূল তথ্যই প্ৰকৃতিৰ মিলনকে বুজাইছে। এটা মূল বস্তুৰ পৰাই যে থাল থেম্নুলি বাড়ি সকলো বস্তুৰেই উৎপত্তি হৈছে এই ভাব অতীতৰ পৰা আজিলৈকে চলি আহিছে। আমি মানবজাতি অতীতৰ কাহিনী লৈ বৈজ্ঞানিক নিয়মত বৰ্ত্তমান গঢ়ি উঠিছো! অতীতৰ বেদান্তই অলপতে আবিস্কৃত হোৱা কিছুমান আমোদজনক বিজ্ঞান তথ্যৰ উমান দিছিল। গোটেই বিশ্বব্ৰহ্মাণ্ড এটা মূল শক্তিৰ পৰা উৎপত্তি। ই চিৰ পৰিবৰ্ত্তনশীল। মূল শক্তিৰ বিনাশ নাই।

বিজ্ঞানে আজি প্ৰকৃতিৰ অতি গূঢ় ৰহস্য ভেদি নিজ পথত আগুৱাই আছে। সৃষ্টিতত্ত্বৰ "কিয়" "কেনেকৈ" এই প্ৰশ্ন বিলাকৰ বিজ্ঞানেই যথাৰ্থতে উত্তৰ দিছে। তথাপিও বহু সৃষ্টিৰ ৰহস্য উদঘাটন কৰিব নেৱোৰি ৰহস্যাবৃত্ত অন্ধকাৰতেই ডুব গৈ আছে।

বিজ্ঞানৰ উৎকৰ্ষ সাধনে মানুহৰ হাতত কিছুমান ধ্বংশাত্মক অস্ত্ৰ আনি দিলে। এই ধ্বংশাত্মক অস্ত্ৰৰ প্ৰয়োগ হব নিজ উদ্দেশ্য সিদ্ধিৰ কাৰণে। এই ধ্বংশাত্মক অস্ত্ৰ দেখুৱাই আনৰ ওপৰত নিজৰ প্ৰভুত্ব বিস্তাৰ কৰিব। এনেভাবে নিজে গঢ়া মহাবিজ্ঞান ধ্বংশৰ মুখলৈ ক্ৰমান্বয়ে আগবাঢ়ি গৈ আছে। মানুহৰ এই শকতি কিমান মহান্। জীৱন যাত্ৰাৰ অসংখ্য ব্যৰ্থতাকো মানুহে আওঁকান কৰি দেশৰ কাৰণে, সত্যৰ কাৰণে, তেওঁ ভালপোৱা বস্তুৰ কাৰণে, আদৰ্শ আৰু মৰ্য্যাদাৰ কাৰণে নিজৰ জীৱনকো আহুতি দিবলৈ কুণ্ঠীত হোৱা নাই। বিশ্ব-ব্ৰহ্মাণ্ডৰ কোলাতে লালিত পালিত হৈ ইয়াৰ গূঢ় ৰহস্যকে ভেদ কৰি অসীম শক্তিশালী প্ৰকৃতিৰ লগত অহৰহ যুজি নিজৰ আশা আৰু আকাঙ্ক্ষাৰ সত্য বিচাৰি মানুহ ঘূৰি ফুৰিছে।

ভাল আৰু বেয়া দুয়োটাৰ মানুহৰ ভিতৰত সোমাই আছে। বৰ্ত্তমানৰ পৰিস্থিতিয়ে ভবিষ্যতক অন্ধকাৰ আৰু অনিশ্চয়তাৰে আগুৰি আছে। যদিও অন্ধকাৰ তথাপিও কিছু অংশ দেখা পাই শত বাধা বিঘিনি অতিক্ৰম কৰিও আমি আমাৰ যাত্ৰাৰ পথত গৈ আছো। প্ৰকৃতিৰ সৌন্দৰ্য্যৰ ভৰপুৰ চাই সদায় আনন্দ উপভোগ কৰিছো আৰু সদায়েই আচৰিত হৈ আহিছো।

জেইলত মোৰ ২১ মাহ হওঁ হওঁ। জোনৰ আগমানে জেইলত ২ বছৰ পাৰ হৈ যোৱাৰ জাননী দিলেহি। প্ৰত্যেকটো জন্ম দিন আহি মোৰ বয়সৰ বৃদ্ধতাৰ বাতৰি যোগালে। যোৱা চাৰিটা জন্ম দিন মই আহমদ নগৰ আৰু ডেৰাডুনত কটালো। আহামদ নগৰ জে'লত থকা সময় খিনিত মই লিখিম লিখিম বুলি ভাবিয়েই আছিলো। কিন্তু লিখা নহল। যিহকে তিহক লিখা কথাটো অতি সহজ কিন্তু যি লিখা যায় সি মূল্যৱান হব লাগিব। যি দবে পৃথিবীত যুদ্ধৰ মহা বিভিষিকা আহি পৰিছে। ইয়াৰ মাজত যি মূলবান লিখনি যুদ্ধৰ পাচত হয়টো সি মূল্যহীন হব। হয়টো মোৰ লিখনি অপ্ৰকাশিত হয়েই ৰব। এনেভাব আৰু অসুবিধা সমূহ আহি মোক আগুৰি ধৰিছিল। ১৯৪০ চনত ডেৰাডুনত

কালছোৱাতেই অৰ্থাৎ ১৯৪০ চনৰ অক্টোবৰৰ পৰা ১৯৪১ চনৰ ডিচেম্বৰৰ ভিতৰতেই মই মোৰ আত্মজীৱনী খন লিখি পেলাওঁ। বহুদিনলৈকে মই লিখাৰ অভ্যাস গঢ়ি তুলিব পৰা নাছিলো। খেলা ধুলাত কিতাপ পঢ়াত আৰু ফুলৰ লগত ওমলি ফুৰাই মোৰ অভ্যাস আছিল। অৱশেষত মই লিখিব আৰম্ভ কৰো। জেইলৰ লিখনি মোৰ আত্মাজীৱনীৰ ধাৰা বাহিক লিখনি আছিল। মোৰ লিখনি শেষ হোৱাৰ আগতেই মোক জেইলৰ পৰা বিদায় দিয়ে। ভাগ্যক্রমে মই যে লিখনি শেষ কৰিব নোৱাৰিলো ই ভালেই হল। শেষ কৰা হলে প্ৰকাশ কৰিবলৈ মোক জুলুম দিলেহেতেন। সময়ত মোৰ মন অশান্তিত আছিল। অশান্ত ভাৰতবাসীৰ নিৰ্য্যাতিত দুখ বেজাৰৰ সংমিশ্ৰণত জন্ম হোৱা সাময়িক মনৰ বিকাৰহে। এই বিকাৰেই কালক্রমত ব্যক্তিগত ভাবেই হওঁক নতুবা সমাজিক ভাবেই হওক দেশও জাতীয়তাক গঢ় দিয়াত সহায় কৰে।

আন আন জেইলৰ দৰে আহমদাবাদ জেইলতো মই ফুল বোৱা ফুলত পানী দিয়া ৰ'দত গাঁত খানি ফুলৰ পুলি বোৱা আদি কাম কৰি আমোদ পাইছিলো আহমদাবাদ জেইলৰ মাটি বৰ টান। পৌৰাণিক শিলৰ মূৰ্ত্তিৰেই ভৰা। কাৰণ এই আহমদাবাদতেই অতীতত বুৰঞ্জী প্ৰসিদ্ধ বহুত ঘটনা ঘটিছিল। সেই বুৰঞ্জী বেচি দিনৰ পুৰণা নহয়। এগৰাকী মহিলাৰ সাহসৰ কথা এতিয়াও স্মৰণীয়। "চাঁদবিবি" হল সেই গৰাকী মহিলা। এওঁ মহামতী আঁকবৰৰ সৈন্যৰ বিপক্ষে নিজৰ অস্ত্ৰ পৰিচালনা কৰি আহ্‌মদ নগৰৰ দুৰ্গ ৰক্ষা কৰিছিল। তেওঁক নিজ দলৰ মানুহ এজনেহে হত্যা কৰে। এটি কথা পৰিস্কাৰ ভাবে এতিয়াও মোৰ মনত আছে। ফুল ৰুই মাটি খান্দি থাওঁতে পৌৰাণিক দেৱাল আট্টালিকাৰৰ অংশ বিশেষ মাটিৰ তলত পালো। তাৰ পাচত দুটা পৌৰণিক স্তম্ভ আবিস্কাৰ কৰিলো। আমি কৌতুহলেৰে সেই স্তম্ভ দুটা নিৰিক্ষণ কৰিলো। সেই দুটা ফাঁচি কাঠৰ স্তম্ভ। ৩৩০ কি ৩৪০ বছৰৰ আগেয়ে এই ফাটেক ফাঁচি দিয়া

ঠাই আছিল। ইয়াত যিমান বিলাক ফাঁচি কাঠ পালো সকলো আঁতৰাই পেলালো সকলো ফাঁচি কাঠ আবিস্কাৰ কৰি শিপাসহ উঘালি জেইলৰ মোৰ সহ কয়দী বন্ধু বিলাকৰে বেচ আমোদ কৰিলো।

ইয়াতেই এইয়া মই হাতৰ কোৰ্ এৰি লিখিবলৈ কলম তুলি ললো। মই ভাবিলো যে যদিও মই লিখিছো ডেৰাডুনৰ দৰে ই অপ্ৰকাশিত হয়েই ৰব। বৰ্ত্তমানৰ বিষয়ে মই লিখিব নোৱাৰো যেতিয়ালৈকে হাতে কামে মই অভিজ্ঞতা আৰ্জ্জন কৰিব নোৱাৰো। কৰ্ম্মইহে বৰ্ত্তমান আৱশ্যকীয় পন্থা। কাম কৰি গৈ অভিজ্ঞতা আৰ্জ্জন কৰিলেহে মই লিখিব পাৰিম। জেইলত মই এই অভিজ্ঞতাৰ পৰা বঞ্চিত।

মই প্ৰফেট মহম্মদৰ নিচিনাকৈ ভবিষ্যতে নিৰিক্ষণ কৰিব নোৱাৰো। মোৰ মনে ৰিণিকি ৰিণিকি দেখা ভবিষ্যত্বৰ ঢাকনি ভাঙ্গি চিঙ্গি নিজে আয়ত্ব কৰি লব বিচাৰে। কিন্তু সকলো বিলাক চিন্তা মোৰ অমূলক। কাৰণ মোৰ ভবিষ্যত অন্ধকাৰ অনিশ্চয়তা আৰু প্ৰতাৰণাই ঠাহ খাই আছে। মানুহৰ প্ৰকৃত ৰহস্যকে উদ্‌ঘাটন কৰাত ফাঁকি দিব পাৰে!

হে ঘোৱা ঘটনা সমূহ অতীতে সামৰি থৈছে। মই বুৰঞ্জীবিদ বা সাহিত্যিক নহও এই বিলাক কথা লিখি ৰাখিবলৈ। তেনে কাৰ্য্য মুলক শিক্ষা বা জ্ঞান মোৰ নাই। বা তেনে অভ্যাসৰ মই আলমো লোৱা নাই। অতীতে বৰ্ত্তমানক লৈ সময়ে সময়ে মোক ৰব পিড়ে নতুবা উমনিৰে উম্ দিয়ে। এনে অৱস্থাৰ স্ৰিষ্টি নোহোৱা হলে জীৱন টোৱেই শীতল নিৰ্জ্জীব পদাৰ্থ আৰু মূল্যহীন হল হয়। বৰ্ত্তমানৰ অভিজ্ঞতা আৰু ভাবক লৈ অতীত বা ভবিষ্যতৰ গধুৰ বোজা পাতলাব পাৰি। এই নিয়মেহে মানবতাক ব্যক্তিয়ে বিশ্লেষণ কৰিব পাৰে।

অতীতে ভাল বেয়া দুয়োটাকে লৈ কেতিয়াবা আমাৰ উশাহনিশাহ বন্ধ কৰি পেলায়। অতীতৰ সেই ভাৰত আৰু চীনৰ মাজত গঢ়ি